# আয়ুৰ্বেদৰ প্ৰসাৰ আৰু প্ৰচাৰত আয়ুৰ্বেদিক চিকিৎসা সংস্থাৰ ভূমিকা

ডাঃ বিষ্ণু চৌধুৰী



আয়ুৰ্বেদিক চিকিৎসা সংস্থা (AMO) ইং ০১-০৯-২০২১ তাৰিখে আনুষ্ঠানিকভাৱে পঞ্জীয়ন হোৱা এক সামাজিক সংগঠন। AMO হ'ল ৰাজ্যখনত আয়ুৰ্বেদৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে অসমৰ আয়ুৰ্বেদিক চিকিৎসক আৰু শিক্ষাৰ্থী সকলৰ দ্বাৰা গঠিত এটি সংগঠন। AMOয়ে আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰ সৈতে জড়িত সকলো পক্ষৰ সামগ্ৰিক বিকাশৰ বাবে কাম কৰি আহিছে।

এই উদ্দেশ্যৰ প্ৰতি সমৰ্পিত বৰ্তমান শিক্ষক, আয়ুৰ্বেদিক চিকিৎসক, শিক্ষাৰ্থীৰ ২১০ জনীয়া দলে AMO ৰ লগত নিঃস্বাৰ্থভাৱে সামাজিক কাম কৰি আছে। আমি একেলগে বিভিন্ন কৰ্মশালা, আলোচনাচক্ৰ, বিনামূলীয়া স্বাস্থ্য সজাগতা আৰু পৰামৰ্শ শিবিৰৰ জৰিয়তে সামাজিক উপস্থিতি চিহ্নিত কৰিছো।

যোৱা দুটা বছৰত, AMO য়ে বিভিন্ন সামাজিক কাৰ্য শৃংখলাৰ জৰিয়তে সমাজত আয়ুৰ্বেদৰ গুণাগুণ প্ৰচাৰ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। লগতে জনস্বাস্থ্য, জনসাধাৰণৰ অংশগ্ৰহণ আৰু জন আন্দোলন সৃষ্টিকাৰী মূলমন্ত্ৰৰ বাবে সকলো লোকক অন্তৰ্ভূক্ত কৰি বিভিন্ন সময়ত কৰ্মশালা, আলোচনাচক্ৰ আয়োজন কৰি আহিছে। এই সকলোবোৰৰ উপৰিও, আমাৰ সংগঠনটোৱে অসমত যোৱা বছৰৰ বানপানীৰ সংকটৰ সময়ত কেইবাটাও বান সাহায্য শিবিৰৰ আয়োজন সফলতাৰে সম্পন্ন কৰিছে। সময়ে সময়ে বিভিন্ন চৰকাৰী পৰ্যায়ত গুৰুত্বপূৰ্ণ পৰামৰ্শৰ জৰিয়তে আয়ুৰ্বেদৰ সামগ্ৰিক বিকাশত AMO য়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিগত দুই বছৰত এই সংগঠনটোৱে অসমৰ বিভিন্ন জিলাত মুঠ ১০৭টা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰ আয়োজন কৰিছে আৰু প্ৰায় ১৬,০৮৬ গৰাকী ৰোগীয়ে এই শিবিৰৰ যোগেদি আয়ুৰ্বেদিক ঔষধ প্ৰণালীৰ দ্বাৰা উপকৃত হৈছে। আমি আয়ুৰ্বেদিক চিকিৎসক আৰু শিক্ষাৰ্থীসকলৰ বাবে চাৰিটা অফলাইন কৰ্মশালা/আলোচনাচক্ৰ আৰু ৯টা ভাৰ্চুৱেল CMEৰ আয়োজন কৰে। লগতে আয়ুৰ্বেদিক চিকিৎসা প্ৰণালীৰ উপযোগিতা আৰু ইয়াৰ কেৰিয়াৰ সম্ভাৱনা সম্পৰ্কে কেইবাখনো বিদ্যালয় আৰু মহাবিদ্যালয়ত সজাগতা বক্তৃতাৰ আয়োজন কৰা হৈছে।

**লেখক—** প্ৰাক্তন ছাত্ৰ (১৯৯৮-২০০৪, ২০০৬-২০০৯), সহকাৰী অধ্যাপক, উত্তৰ-পূব আয়ুৰ্বেদ আৰু হোমিওপেথিক সংস্থান, শ্বিলং, মেঘালয়। সাধাৰণ সম্পাদক, আয়ুৰ্বেদিক চিকিৎসা সংস্থা

বিগত তিনি বছৰ ধৰি (২০২১, ২০২২ আৰু ২০২৩) AMOৰ দ্বাৰা ধন্বন্তৰী জয়ন্তী আৰু ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস উপলক্ষে সমগ্ৰ অসমতেই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰ দ্বাৰা সমগ্ৰ ৰাজ্যতে বৃহৎ সংখ্যক জনসাধাৰণ উপকৃত হৈছে। প্ৰথমবাৰৰ বাবে সমগ্ৰ অসমত ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস আৰু ধন্বন্তৰী জয়ন্তী উদ্‌যাপন কৰা হৈছিল। ফলত ৰাজ্যখনত আয়ুৰ্বেদ চিকিৎসাৰ চাহিদা দিনক দিনে বাঢ়িব ধৰিছে। বিভিন্ন দল সংগঠন, সমাজকৰ্মী আৰু আয়ুৰ্বেদ প্ৰেমীসকলে অসমৰ প্ৰায় প্ৰতিখন জিলাতে দৰিদ্ৰ লোকসকলৰ বাবে এই পদক্ষেপ গ্ৰহণৰ বাবে আয়ুৰ্বেদিক চিকিৎসা সংস্থাৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে ।

এই দুবছৰত মহিলা স্বাস্থ্য সম্পৰ্কীয় বিষয় সম্পৰ্কে সজাগতাৰ বাবে অসমৰ বিভিন্ন জিলাত আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস (৮ মাৰ্চ) উপলক্ষে বিনামূলীয়াকৈ মহিলাৰ স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰ আৰু আলোচনাচক্ৰৰো আয়োজন কৰা হৈছে।

বিগত তিনি বছৰ ধৰি (২০২১, ২০২২ আৰু ২০২৩) সেৱা ভাৰতী পূৰ্বাঞ্চল আৰু National Medicos Organization (NMO) দ্বাৰা ৰাজ্যজুৰি আয়োজন কৰা "ধন্বন্তৰী সেৱা যাত্ৰা" উপলক্ষে অনুষ্ঠিত বিনামূলীয়া চিকিৎসা শিবিৰ সমূহত AMO য়ে অংশগ্ৰহণ কৰে আৰু চিকিৎসা প্ৰদান কৰে।

"ৰাষ্ট্ৰীয় পোষণ মাহ"ৰ লগত সংগতি ৰাখি ২০২৩ চনৰ ছেপ্টেম্বৰ মাহত AMOয়ে সেৱা ভাৰতীৰ সহযোগত সমগ্ৰ অসমত প্ৰায় ১০০ খন পুষ্টি সজাগতা কাৰ্যসূচী আয়োজন কৰে। এই বছৰতো ধন্বন্তৰী জয়ন্তী আৰু ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱসৰ লগত সংগতি ৰাখি অসমৰ প্ৰায় প্ৰতিখন জিলাত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু সজাগতা শিবিৰৰ আয়োজন কৰা হয়। AMOৰ সদস্যসকলে ০১-১০-২০২৩ তাৰিখে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ আহ্বানত ৰাষ্ট্ৰজুৰি উদ্‌যাপিত "স্বচ্ছতাই সেৱা" অভিযানত শ্ৰমদান কাৰ্য্যসূচী ৰূপায়ন কৰে।

অতি শীঘ্ৰেই আমি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত জনকল্যাণ মূলক কাৰ্য্যকলাপ আৰম্ভ কৰিবলৈ পৰিকল্পনা কৰিছোঁ। যিয়ে সমগ্ৰ উত্তৰ-পূৰ ভাৰতত আয়ুৰ্বেদৰ প্ৰসাৰ আৰু প্ৰচাৰৰ দ্বাৰা আমাৰ অভিযান তৰান্বিত কৰিব বুলি আশা কৰা হৈছে।

বিগত সময় চোৱাত AMO ৰ সজাতী দলে অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত গোলাব চান্দ কাটাৰীয়া ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, ভাৰত চৰকাৰৰ কেন্দ্ৰীয় আয়ুস বিভাগৰ মন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া, অসমৰ স্বাস্থ্যমন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত ডাঙৰীয়া, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী শ্ৰীযুত জয়ন্ত মল্লবৰুৱা ডাঙৰীয়া, বি.টি.এ.ডি.ৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰীযুত প্ৰমোদ বড়ো ডাঙৰীয়াৰ লগত কেইবাবাৰো আলোচনাত মিলিত হয়। উক্ত আলোচনাত AMO য়ে বিগত সময়ৰ AMO ৰ প্ৰতিটো কাৰ্যসূচী সম্পৰ্কে পুৰোধা ব্যক্তিসকলক অৱগত কৰায়। AMO অসমৰ একমাত্ৰ সংগঠন যিয়ে নিঃস্বাৰ্থভাৱে আয়ুৰ্বেদৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে সমাজৰ উত্তৰণৰ হকে কাম কৰি আছে বুলি তেওঁলোকৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হয়।

উপৰোক্ত ব্যক্তিসকলৰ সৈতে হোৱা শেহতীয়া সাক্ষাৎকাৰত AMO য়ে নিম্নোক্ত বিষয় সমূহৰ বিষয়ে আলোকপাত কৰে—

(১) চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, জালুকবাৰী, গুৱাহাটীৰ শিক্ষক / চিকিৎসা বিষয়া (আয়ুৰ) আৰু ৰাজ্যিক স্বাস্থ্যসেৱাৰ অধীনত চিকিৎসা বিষয়া (আয়ুৰ)ৰ খালী পদসমূহ পূৰণ কৰা।

(২) চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, অসম আৰু ৰাজ্যত সেৱা আগবঢ়োৱা চিকিৎসা বিষয়া (আয়ুৰ)ৰ বাবে সেৱা নিয়ম গঠন আৰু সময়ত পদোন্নতিৰ ব্যৱস্থা কৰা।

(৩) আয়ুষ আঁচনিৰ সৰ্বশ্ৰেষ্ঠ ৰূপায়ণৰ বাবে প্ৰতিখন জিলাত মুখ্য কাৰ্যালয়, জিলা মুখ্য চিকিৎসা বিষয়া (আয়ুৰ) পদৰ সৃষ্টি কৰা।

(৪) ভাৰতীয় জনস্বাস্থ্য মানদণ্ড (IPHS) নিয়ম অনুসৰি সকলো চিকিৎসালয়ত চিকিৎসা বিষয়া (আয়ুৰ)ৰ পদ সৃষ্টি কৰা।

(৫) অসমৰ সকলো জিলাতে ৫০খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় স্থাপনৰ অনুৰোধ।

(৬) ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ভাৰতীয় পদ্ধতি ঔষধ আয়োগৰ (NCISM) নিৰ্দেশনা অনুসৰি অসমত ভাৰতীয় ঔষধ ৰাজ্যিক পৰিষদৰ (SCIM) পুনৰ গঠন।

(৭) ৰাজ্যখনত সেৱা আগবঢ়োৱা আয়ুৰ্বেদিক স্নাতকোত্তৰ

আৱাসিক চিকিৎসা বিষয়া (RMO) / চিকিৎসা বিষয়া (MO) স্নাতকোত্তৰ ভাট্টা প্ৰদান।

(৮) চিকিৎসা বিষয়া (আয়ুৰ) আৰু চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ শিক্ষকসকলৰ অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধি কৰা।

(৯) সামাজিক বনানীকৰণ আঁচনিৰ অধীনত অসমৰ সকলো অনুৰ্বৰ ভূমিত আৰু সত্ৰত ঔষধি আৰু সুগন্ধি উদ্ভিদৰ খেতি।

(১০) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠ্যক্ৰমত আয়ুৰ্বেদ আৰু যোগৰ মৌলিক ধাৰণাৰ অন্তৰ্ভুক্তিকৰণ।

(১১) অসমৰ দুধনৈ, পলাশবাৰী, মাজুলী, বি.টি.এ.ডি. আৰু বৰাক উপত্যকাত আয়ুৰ্বেদিক মহাবিদ্যালয় আৰু চিকিৎসালয় স্থাপন কৰা।

(১২) অসমৰ চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ত Srimanta Sankaradeva University of Health Sciences (SSUHS) অধীনত আৰু দক্ষতা বিকাশ অভিযানৰ অধীনত পঞ্চকৰ্ম থেৰাপিষ্ট, ক্ষাৰ সূত্ৰ টেকনিচিয়ান আৰু ফাৰ্মাচিষ্ট (আয়ুৰ) ডিপ্ল'মা পাঠ্যক্ৰম আৰম্ভ কৰা।

(১৩) কেন্দ্ৰীয় চৰকাৰৰ অধীনত অসমত 'সৰ্ব ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান' (AllA) স্থাপনৰ বাবে অনুৰোধ।

(১৪) কেন্দ্ৰীয় চৰকাৰৰ অধীনত অসমত 'যোগ আৰু নেচাৰোপেথি প্ৰতিষ্ঠান' স্থাপন কৰা।

(১৫) উত্তৰ-পূৰ্বাঞ্চলত উপলব্ধ ঔষধি উদ্ভিদ সৰ্বোত্তম ব্যৱহাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনত আয়ুৰ্বেদিক ঔষধ নিৰ্মাণ উদ্যোগ এটা স্থাপন কৰা।

(১৬) সকলো চিকিৎসালয়ত পৰ্য্যাপ্ত ভাল মানদণ্ডৰ আয়ুৰ্বেদিক ঔষধ যোগান ধৰা।

(১৭) সকলো জিলা চিকিৎসালয় / আয়ুষ শাখাৰ পঞ্চকৰ্ম আৰু ক্ষাৰসূত্ৰ গোটৰ কাম-কাজ আৰম্ভ কৰা।

(১৮) সকলো চিকিৎসা বিষয়া (আয়ুৰ)ৰ বাবে সময়ে সময়ে প্ৰশিক্ষণ, কৰ্মশালা, ৰিফ্ৰেচাৰ পাঠ্যক্ৰম।

(১৯) NHM-ৰ অধীনত কাম কৰি থকা চিকিৎসা বিষয়া (আয়ুৰ) সকলক নিয়মীয়া পদ নিযুক্তিত উচ্চ বয়সৰ ৰেহাই প্ৰদান কৰিবলৈ সংশ্লিষ্ট চৰকাৰী কৰ্তৃপক্ষক অনুৰোধ।

(২০) জিলা চিকিৎসালয় / মহকুমা চিকিৎসালয় / এফ.আৰ.ইউ. / মডেল চিকিৎসালয়ত আয়ুৰ্বেদিক স্নাতকোত্তৰ চিকিৎসকক জ্যেষ্ঠ চিকিৎসা বিষয়া (আয়ুৰ) হিচাপে নিযুক্তি দিয়া।

(২১) বি.এ.এম.এছ. (BAMS) পাঠ্যক্ৰমৰ নামভৰ্ত্তি নীতিৰ পৰ্যালোচনা কৰি দশম শ্ৰেণীলৈকে সংস্কৃত থকা প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰা।

(২২) চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ত সকলো বিষয়ত (NCISM পাঠ্যক্ৰম অনুসৰি) স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা।

(২৩) AYUSH HWC নিৰ্দেশনাত প্ৰয়োজনীয় সংশোধন কৰিবলৈ অনুৰোধ কৰা হৈছে, যাতে বি.এ.এম.এছ. স্নাতক সকলক CCH প্ৰশিক্ষণ অবিহনে পোনপটীয়াকৈ নিয়োগ কৰা আৰু AYUSH HWC- ত CHO (Ayush) পদৰ নাম পৰিৱৰ্তন কৰি চিকিৎসা বিষয়া (আয়ুৰ) / Medical Officer (Ayur) হিচাপে নিযুক্তি দিবলৈ অনুৰোধ জনোৱা হয়।

উপৰোক্ত বিষয়সমূহৰ কিছুমানৰ ইতিমধ্যে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কিছুমান বিষয়ৰ ওপৰত ধনাত্মক পৰ্যালোচনা চলি আছে। গোটেইখিনি শীঘ্ৰেই কাৰ্যকৰী হ'ব বুলি আমি আশাবাদী। ৰাজ্যখনত আয়ুৰ্বেদৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে আয়ুৰ্বেদিক চিকিৎসা সংস্থা (AMO)ৰ প্ৰচেষ্টা সদায় অব্যাহত থাকিব।

সমাজ কল্যাণৰ বাবে বিভিন্ন কাৰ্যকলাপ আয়োজন কৰাত আমাক সহায় কৰাৰ বাবে আমি সকলো সংশ্লিষ্ট চৰকাৰী কৰ্তৃপক্ষৰ লগতে বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সংবাদ গোষ্ঠীৰ লগতে শুভাকাংক্ষী সকলৰ ওচৰত চিৰকৃতজ্ঞ।

সৰ্বে ভৱন্তু সুখিনহঃ সৰ্বেসন্তু নিৰাময়া।

*(সকলোৰে সুখী হওঁক আৰু সকলোৰে নিৰোগী হওঁক)*

— *ধন্যবাদ*

◆◆◆